**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৪৫৩/২০২০**

**মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি ৰাজ্যৰ বান, গৰাখহনীয়া, ভূমিস্খলনৰ পৰিস্থিতিৰ বুজ ল'লে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে**

# ৰাজ্যৰ সাম্প্ৰতিক প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলৈ সকলো ধৰণৰ সহায়-সহযোগিতাৰ প্ৰতিশ্ৰুতি আগবঢ়ালে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ জুন ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ সাম্প্ৰতিক বান পৰিস্থিতি, গৰাখহনীয়া আৰু গুৱাহাটী মহানগৰীকে ধৰি বিভিন্ন স্থানত হোৱা ভূমিস্খলনৰ বিষয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰি পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বাৰ্তালাপৰ সময়ত ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যখনৰ বিভিন্ন নৈৰ জলপৃষ্ঠ বৃদ্ধি আৰু ইয়াৰ ফলত হোৱা বানপানী, ধাৰাবাহিকভাৱে বৰষুণৰ ফলত হোৱা ভূমিস্খলন, এই দুৰ্যোগসমূহত ক্ষতিগ্ৰস্ত লোকসকলৰ উদ্ধাৰ আৰু সাহায্য অভিযান সম্পৰ্কতো বুজ লয়।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ বান পৰিস্থিতি মোকাবিলা কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। ভিডিঅ' কনফাৰেন্সযোগে বৈঠক অনুষ্ঠিত কৰি উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে বান পৰিস্থিতি সম্পৰ্কে বুজ লোৱাৰ লগতে উদ্ধাৰ আৰু সাহায্য অভিযান তীব্ৰতৰ কৰি তোলাৰ বাবে নিৰ্দেশ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জনায় যে সাহায্য শিবিৰসমূহত প্ৰয়োজনীয় খাদ্য যোগান, গুণগত খাদ্য প্ৰদান, ক'ভিড-১৯ প্ৰট'কল মানি চলা, চিকিৎসা ব্যৱস্থা পৰ্যাপ্ত কৰি ৰখাৰ বাবেও জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়া হৈছে। উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে এন ডি আৰ এফ আৰু এছ ডি আৰ এফক নিয়োগ কৰাৰ লগতে প্ৰতিখন জিলাতে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ পৰ্যাপ্ত বেটেলিয়ান মজুত কৰি ৰখা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে অৱগত কৰে যে বিদ্যুৎস্পৃষ্ট জনিত কোনো ঘটনা যাতে সংঘটিত হ'ব নোৱাৰে তাৰ বাবে শক্তি বিভাগকো প্ৰয়োজনীয় সাৱধনতা অৱলম্বন কৰাৰ নিৰ্দেশ দিয়া হৈছে। বানপানীৰ সুযোগ লৈ যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনি আৰু মূল্যবৃদ্ধি নহয় তাৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগক নিৰ্দেশ দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে বান আৰু গৰাখহনীয়া সমস্যা মোকাবিলা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহায় আৰু সহযোগিতা আগবঢ়াব। এই বিপদৰ সময়ত কেন্দ্ৰীয় চৰকাৰ অসমৰ জনসাধাৰণৰ লগত আছে বুলিও কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বানপানী আৰু ভূমিস্খলনত নিহতসকলৰ পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২৮/০৬/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in